অসম চৰকাৰ

# সুতিৰ পাৰ গাওঁ পঞ্চায়ত কাৰ্য্যালয় ঃ সুতিৰ পাৰ ঃ নগাওঁ ( অসম)

OFFICE OF THE SUTIRPAR G.P. NAGAON, ASSAM

নং- সুজিপি-০৫/২০২৫-২৬/০৭।

তাং- ০৫/০৬/২০২৫

## বজাৰ/ঘাট/মিন মহল/পাউণ্ড বন্দোৱস্তিৰ নিবিদা জাননী

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা হয় যে জুৰীয়া আঞ্চলিক পঞ্চায়তৰ অধীনস্থ সুতিৰ পাৰ গাওঁ পঞ্চায়তৰ অন্তৰ্গত নিম্নোক্ত বজাৰ/বিল/পুখুৰী অসম পঞ্চায়ত আইন ১৯৯৪ আৰু অসম পঞ্চায়ত ( সংশোধনী )আইন ২০২৫ মতে ২০২৫-২৬ পঞ্চায়ত বৰ্ষৰ বাবে ইং- ০১/০৭/২০২৫ তাৰিখৰ পৰা ইং- ৩০/০৬/২০২৬ তাৰিখলৈ এবছৰৰ বাবে নিবিদাযোগে বন্দোৰস্তি দিয়া হব । বজাৰ বন্দোৰস্তি পাবলৈ ইচ্ছুক প্ৰাৰ্থীৰ পৰা ৮.২৫ ( আঠ টকা পঁচিশ পইচা ) ন্যায়ালয়ৰ শুল্ক (Court fee )লগোৱা লাৰ মোহৰযুক্ত খামত নিবিদা আহবান কৰা হল ।

নিবিদা সমূহঅহা ইং- ২০/০৬/২০২৫ তাৰিখে দিনৰ ২.০০ বজালৈকে জুৰীয়া আঞ্চলিক পঞ্চায়ত কাৰ্য্যালয়ত গ্ৰহণ কৰা হব আৰু সেই দিনাই নিবিদাকাৰী / নিবিদাকাৰীৰ প্ৰতিনিধিৰ সাক্ষাতত দিনৰ ৩.০০ বজাত খোলা হব যদিহে অন্য কোনো অসুবিধা উদ্ভৱ নহয় ।

| ক্ৰমিক নং | বজাৰ/বিল/ পুখুৰীৰ নাম | চৰকাৰী নিৰিখ | আমানতৰ ধন |
|---|---|---|---|
| ১ | সুতিৰ পাৰ অৰ্ধ সাপ্তাহিক বজাৰ | ১,০৬,৬৭৯.০০ | ১০,৬৬৮.০০ |
| ২ | মাথাউৰি অৰ্ধ সাপ্তাহিক বজাৰ | ৫০,১৭৯.০০ | ৫,০১৮.০০ |
| ৩ | সুতিৰ পাৰ মিন পুখুৰী | ১৭,৯৫১.০০ | ১,৭৯৫.০০ |
| ৪ | সুতিৰ পাৰ দৈনিক বজাৰ | ৩৩,৯৪১.০০ | ৩,৩৯৪.০০ |

**বজাৰ/ঘাট/মীনমহল/পাউণ্ড আদিৰ নিবিদাৰ চৰ্তাৱলীঃ-**

### প্ৰথম খণ্ড

১) বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোৱস্তিৰ বাবদ পূৰ্ব্বতে টকা দিবলৈ বাকী থকা লোক আৰু তেওঁৰ পৰিয়ালৰ সদস্যই নিবিদা দাখিল কৰিব নোৱাৰিব। বৰ্তমান বজাৰ / ঘাট/মীনমহল / পাউণ্ড চলাই থকা মহলদাৰেও নিবিদা দাখিল কৰিবৰ বাবে চলিত বছৰৰ বাকী থকা সকলো কিস্তি আদায় দিব লাগিব।

২) যদি এইটো দৃষ্টিগোচৰ হয় যে কোনো নিবিদাকাৰীয়ে ৰাজ্য চৰকাৰৰ যিকোনো পৰ্য্যায়ত যিকোনো কৰ আদি পৰিশোধ কৰিবলৈ বাকী আছে অথবা যিকোনো কৰ আদি পৰিশোধ কৰিবলৈ ব্যৰ্থ হৈছে; তেন্তে তেনে নিবিদাকাৰীক যিকোনো পঞ্চায়তত সকলো ধৰণৰ নিবিদা পক্ৰিয়াত অংশগ্ৰহণ কৰিব দিয়া নহব।

৩) নিৰ্দিষ্ট ব্যক্তি বিশেষৰ পৰিৱৰ্তে কোনো শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান. সন্থা, সমিতি বা তেনেধৰণৰ অনুষ্ঠান আদিৰ নামত নিবিদা দাখিল কৰিব নোৱাৰিব। অন্যথা এনে নিবিদা পোনপটীয়াকৈ নাকচ কৰা হ'ব।

৪) সংশ্লিষ্ট পঞ্চায়তত ৩০০.০০ টকা জমা দি নিবিদা ফৰ্ম আৰু আনুসংগিক নথি পত্ৰ ল'ব লাগিব।

৫) প্ৰতি বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ বাবে পৃথকে পৃথকে নিবিদা দাখিল কৰিব লাগিব।

৬) গাঁও পঞ্চায়ত/আঞ্চলিক পঞ্চায়ত/জিলা পৰিষদে যোগান ধৰা মূল নিবিদাৰ ফৰ্মতহে নিবিদা দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰতে নিবিদা ফৰ্মৰ ফটোষ্টেট কপিৰ নিবিদা গ্ৰহণ কৰা নহ'ব। কোনো নিবিদাকাৰীয়ে ফটোষ্টেট কপিত নিবিদা দাখিল কৰিলে সংশ্লিষ্ট পঞ্চায়তৰ নামত ৩০০.০০ টকা জমা দিয়াৰ ৰচিদ নিবিদাৰ লগত দাখিল কৰিব লাগিব।

৭) হাট, ঘাট, মীনমহল, পাউণ্ডৰ বন্দোৱস্তি সম্পৰ্কীয় নিবিদা জমা দিয়াৰ ক্ষেত্ৰত দুতৰপীয়া ব্যৱস্থা গ্ৰহণ কৰা হ'ব য'ত নিবিদাকাৰীয়ে দুটা খামত তেওঁলোকৰ নিবিদা দাখিল কৰিব। প্ৰথম খামত নি[illegible]কাৰীৰ যোগ্যতা, কোৰ্ট ফি ,আমানতৰ ধন জমা (EMD), আৰক্ষীৰ প্ৰতিবেদন আদি দাখিল কৰিব লাগিব। দ্বিতীয় খামত

Secretary
Sutirpar G.P.
Nagaon, Assam

OFFICE OF THE SUTIRPAR G.P. NAGAON ASSAM

নিবিদাকাৰীয়ে তেওঁলোকৰ নিবিদাৰ ধনৰ পৰিমাণ দাখিল কৰিব। অকল প্ৰথম পৰ্য্যায়ত গ্ৰহণযোগ্য বিবেচিত হোৱা নিবিদাকাৰীসকলৰহে দ্বিতীয় খাম বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব।

৮) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ ফৰ্মত নিজৰ সম্পূৰ্ণ নাম, ঠিকনা ও আৰক্ষী থানা উল্লেখ কৰিব লাগিব। জিলা পৰিষদৰ অধীনস্থ হাট, ঘাট, মীনমহল, পাউণ্ড আদিৰ ক্ষেত্ৰত নিবিদাকাৰী সংশ্লিষ্ট জিলাৰ বাসিন্দা হ'ব লাগিব। আনহাতে আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত নিবিদাকাৰী সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ বাসিন্দা হ'ব লাগিব আৰু গাঁও পঞ্চায়তৰ ক্ষেত্ৰত সংশ্লিষ্ট গাঁও পঞ্চায়তৰ বাসিন্দা হ'ব লাগিব।

৯) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত প্ৰয়োজনীয় কোৰ্ট ফি আৰু আমানতৰ ধন জমা দিয়াটো বাধ্যতামূলক। নিবিদা দাখিল কৰাৰ পাছত কোনো নিবিদাকাৰীয়ে নিবিদা উঠাই ল'ব নোৱাৰিব। তেনে কৰিলে অথবা কোনো বন্দোৱস্তিপ্ৰাপ্ত নিবিদাকাৰীয়ে বন্দোৱস্তি গ্ৰহণ নকৰিলে তেওঁলোকৰ আমানতৰ ধন বাজেয়াপ্ত কৰা হ'ব।

১০) নিবিদা দাখিলৰ ও খোলাৰ দিনা চৰকাৰী বন্ধৰ দিন ঘোষণা কৰিলে পৰৱৰ্তী কাৰ্য্যালয় খোলাৰ দিনা নিবিদা গ্ৰহণ কৰা হ'ব।

১১) কোনো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ নিবিদাৰ মূল্য উপযুক্ত বিবেচিত নহ'লে পুনৰ নিবিদা আহ্বান কৰা হ'ব।

১২) সকলো বজাৰ/ঘাট/মীনমহল/পাউণ্ডৰ ক্ষেত্ৰত বিগত তিনিটা বছৰৰ বন্দোৱস্তিৰ গড় মূল্য সহিতে গড় মূল্যৰ ১০ শতাংশ হাৰৰ ভিতৰত দাখিল কৰা সৰ্বোচ্চ নিবিদাহে বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব।

১৩) ক) যদিহে কোনো বজাৰ/ ঘাট/ মীনমহল/ পাউণ্ডৰ বাবে এগৰাকীতকৈ অধিক স্থানীয় নিবিদাকাৰীয়ে একে নিবিদা মূল্য দাখিল কৰে আৰু যদিহে নিবিদা জাননীৰ অন্যান্য সকলো চৰ্তাৱলী সাপেক্ষে তেওঁলোকৰ গ্ৰহণযোগ্যতা থাকে, তেনেহ'লে সেই বজাৰ/ ঘাট/ মীনমহল/ পাউণ্ডৰ বন্দোৱস্তি নিৰ্ধাৰণ কৰাৰ বাবে স্থানীয় নিবিদাকাৰীসকলৰ মাজৰ পৰা লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰা হ'ব।

খ) একাধিক নিবিদাকাৰীৰ মাজৰ পৰা লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰাৰ বাবে গাঁও পঞ্চায়ত/আঞ্চলিক পঞ্চায়ত/ জিলা পৰিষদৰ স্থায়ী সমিতি বা বজাৰ/ ঘাট আদিৰ বাবে বিশেষভাৱে গঠন কৰা বন্দোৱস্তি সমিতিয়ে সকলো নিবিদাকাৰী, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বা জিলা পৰিষদৰ বিষয়ববীয়া তথা সাধাৰণ নাগৰিকৰ উপস্থিতিত সংশ্লিষ্ট পঞ্চায়তৰ কাৰ্য্যালয় প্ৰাংগনত স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে লটাৰী সম্পন্ন কৰিব লাগিব। এনে লটাৰীৰ বাবে কৰ্তৃপক্ষই সংশ্লিষ্ট সকলো স্থানীয় নিবিদাকাৰীকে আগতীয়াকৈ জনাব লাগিব আৰু সমগ্ৰ লটাৰী প্ৰক্ৰিয়াৰ কাৰ্যবিৱৰণী প্ৰস্তুত কৰি বিধিগতভাৱে সংশ্লিষ্ট বিষয়ববীয়া আৰু নিবিদাকাৰীৰ স্বাক্ষৰ গ্ৰহণ কৰিব লাগিব। উল্লেখ্য যে একে নিবিদামূল্য দাখিল কৰা প্ৰতিগৰাকী নিবিদাকাৰীৰ সম্মতিসূচক স্বাক্ষৰ থকা কাৰ্যবিৱৰণীহে গ্ৰহণযোগ্য হ'ব। পৰৱৰ্তী সময়ত এনে কাৰ্যবিৱৰণীৰ প্ৰতিলিপি জিলা পৰিষদৰ জৰিয়তে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগলৈ প্ৰেৰণ কৰিব লাগিব।

গ) লটাৰীযোগে এগৰাকী যোগ্য নিবিদাকাৰী নিৰ্বাচন কৰাৰ বাবে গাঁও পঞ্চায়ত/আঞ্চলিক পঞ্চায়ত/ জিলা পৰিষদৰ স্থায়ী সমিতি বা বজাৰ/ ঘাট আদিৰ বাবে বিশেষভাৱে গঠন কৰা বন্দোৱস্তি সমিতিয়ে সমগ্ৰ লটাৰী প্ৰক্ৰিয়াটোৰ ভিডিঅ'গ্ৰাফী কৰাটো বাধ্যতামূলক। এই ভিডিঅ'গ্ৰাফী কোনো চি. ডি. (compact disc) বা পেনড্ৰাইভত (pendrive) সুৰক্ষিত কৰি অতি কমেও পাঁচ বছৰৰ বাবে সংৰক্ষিত কৰি ৰাখিব লাগিব যাতে বন্দোৱস্তি সম্পৰ্কীয় যিকোনো ওজৰ-আপত্তি/ গোচৰ/ মোকৰ্দমা আদিৰ সময়ত সেয়া দাখিল কৰিব পৰা যায়। তদুপৰি প্ৰয়োজন সাপেক্ষে উৰ্ধতন মহলে বিচাৰিলে এই ভিডিঅ' ৰেকৰ্ডিং জমা দিব লাগিব।

## দ্বিতীয় খণ্ড

১৪) হাট, ঘাট, মীনমহল, পাউণ্ড আদিৰ বন্দোৱস্তি সম্পৰ্কীয় নিবিদাৰ ক্ষেত্ৰত Assam Public Procurement Rule Framework ত সন্নিবিষ্ট নিয়ম মানি চলাটো বাধ্যতামূলক।

১৫) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদাৰ লগত নিৰ্দিষ্ট বজাৰ/ ঘাট/ মীনমহল/ পাউণ্ডখনৰ চৰকাৰী নিৰিখৰ ১০% (দহ শতাংশ) আমানতৰ ধন হিচাপে সংশ্লিষ্ট পঞ্চায়তৰ আধিত (Pledge) কৰি অসম কো-অপাৰেটিভ



Secretary
Sutirpar G.P.
Nagaon, Assam

এপেক্স বেংক, অসম গ্ৰামীন বিকাশ বেংক অথবা যি কোনো ৰাষ্ট্ৰীয়কৃত বেংকৰ নুন্যতম এবছৰৰ Fixed Deposit নিবিদাৰ লগত গাঁঠি দিব লাগিব। অনুসুচীত জাতি, অনুসুচীত জনজাতিৰ লোকে ৫০% (পঞ্চাশ শতাংশ) আমানতৰ ধন ৰেহাই পাব। উক্ত জাতিৰ প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১৬) নিবিদাকাৰীয়ে নিবিদাৰ লগত ৰাজপত্ৰিত বিষয়াৰ দ্বাৰা প্ৰত্যায়িত পাচপৰ্ট আকাৰৰ ফটো গাঁঠি দিব লাগিব।

১৭) নিবিদাকাৰী আৰু জামিনদাৰে সংশ্লিষ্ট জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ পৰা কৰমুক্ত/ পূৰ্বৰ বাকীদাৰ (Defaulter) নোহোৱাৰ প্ৰমাণপত্ৰ নিবিদাৰ লগত গাঁঠি দিব লাগিব।

১৮) প্ৰত্যেক নিবিদাকাৰীয়ে নিবিদা দাখিলৰ সময়ত স্থানীয় আৰক্ষী থানাৰ পৰা তেখেতৰ পূৰ্ব পটভূমি(antecedent) জমা দিয়াটো বাধ্যতামূলক।

১৯) যিকোনো ধৰণৰ হিংসাত্মক কাৰ্য্যকলাপ, অত্যাচাৰ, শোষণ, নিপীড়ন আদিত জড়িত থকা নিবিদাকাৰীক হাট, ঘাট, মীন-মহল, পাউণ্ড আদিৰ বন্দোৱস্তি দিয়া নহ'ব।

২০) নিবিদাকাৰী আৰু জামিনদাৰে নিবিদাৰ লগত গাঁঠি দিয়া নথি-পত্ৰবোৰ সত্য বুলি স্বয়ং প্ৰত্যায়িত কৰিব লাগিব।

## তৃতীয় খণ্ড

২১) অসম পঞ্চায়ত (বিত্তীয়) (সংশোধনী) নিয়মাৱলী, ২০২৫ৰ ৪৭ নং বিধিমতে নিবিদাকাৰীয়ে বজাৰ /ঘাট/ মীনমহল/পাউণ্ডৰ বন্দোৱস্তি পোৱাৰ এসপ্তাহৰ ভিতৰত উপ-পঞ্জীয়কৰ কাৰ্য্যালয়ত পঞ্জীয়নভুক্ত চুক্তিপত্ৰ নিৰ্দ্ধাৰিত দলিল (Stamp Paper) ত দাখিল কৰিব লাগিব। এই ক্ষেত্ৰত দলিল (Stamp Paper) আৰু পঞ্জীয়নৰ খৰচ নিবিদাকাৰীয়ে বহন কৰিব লাগিব।

২২) বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে বন্দোৱস্তি জাননী প্ৰেৰণৰ এসপ্তাহৰ ভিতৰত ১০০ শতাংশ বন্দোৱস্তি মূল্য গাঁও পঞ্চায়ত/আঞ্চলিক পঞ্চায়ত/ জিলা পৰিষদৰ পঞ্চায়তত জমা দিব লাগিব।

২৩) যদিহে বন্দোৱস্তি পোৱা নিবিদাকাৰীগৰাকীয়ে নিৰ্দ্ধাৰিত এসপ্তাহৰ ভিতৰত ১০০ শতাংশ বন্দোৱস্তি মূল্য জমা দিয়াত ব্যৰ্থ হয়, তেনেহলে সংশ্লিষ্ট পঞ্চায়তে পিছৰগৰাকী সৰ্বোচ্চ নিবিদাকাৰীক বন্দোৱস্তি প্ৰদান কৰিব। এই বন্দোৱস্তিৰ ক্ষেত্ৰতো দফা নং ১২ আৰু ১৩ ত উল্লেখিত নিয়মাৱলী প্ৰযোজ্য হ'ব। এই প্ৰক্ৰিয়া বন্দোৱস্তি জাননী প্ৰেৰণৰ নিৰ্দ্ধাৰিত সপ্তাহৰ পিছৰ সপ্তাহত সম্পন্ন কৰিব লাগিব।

২৪) বজাৰ/হাট আদিৰ বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে বজাৰলৈ ঘৰুৱাভাৱে উৎপাদিত শাক-পাচলি, তামোল-পান, দুগ্ধজাত সামগ্ৰী আদি বিক্ৰী কৰিবলৈ অহা স্থানীয় লোকৰপৰা বা ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা কোনোধৰণৰ মাচুল সংগ্ৰহ কৰিব নোৱাৰিব। এনে অভিযোগ লাভ কৰা নিবিদাকাৰীৰ বিৰুদ্ধে সংশ্লিষ্ট পঞ্চায়তে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

২৫) বজাৰ/হাট আদিৰ বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে পৰাপক্ষত নিয়মীয়া বিক্ৰেতা, ব্যৱসায়ী আদিৰ পৰাহে ছমাহ বা বছৰৰ মূৰত এবাৰকৈ সংশ্লিষ্ট পঞ্চায়তৰ দ্বাৰা অনুমোদিত মাচুল/ কৰ সংগ্ৰহ কৰিব পাৰিব।

২৬) ফেৰী/ঘাট বন্দোৱস্তিৰ ক্ষেত্ৰত আভ্যন্তৰীণ জল পৰিবহন বিভাগে আৰোপ কৰা নীতি-নিয়ম গাঁও পঞ্চায়ত/আঞ্চলিক পঞ্চায়ত/ জিলা পৰিষদে বন্দোৱস্তি দিয়া ফেৰী/ঘাটৰ ক্ষেত্ৰতো বাহাল থাকিব। মীনমহল বন্দোৱস্তি পোৱা মহলদাৰে মীনমহল চলোৱাৰ ক্ষেত্ৰত প্ৰচলিত মীনবিভাগৰ নীতি মানি চলিব লাগিব।

২৭) বৈধ পঞ্জীয়ন থকা আৰু নাওঁ/ফেৰীৰ চলাচলৰ ক্ষেত্ৰত বাধ্যতামূলক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা নিবিদাকাৰী সকলেহে ফেৰী / ঘাটৰ নিবিদা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰিব । নিবিদাকাৰীয়ে নিবিদাৰ প্ৰ-পত্ৰৰ সৈতে সংশ্লিষ্ট নাওঁ / ফেৰীৰ শেহতীয়া Fitness Certificate জমা দিয়াটো বাধ্যতামূলক। উক্ত Fitness Certificate আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ কৰ্তৃপক্ষই প্ৰদান কৰা হ'ব লাগিব।

২৮) ফেৰীৰ জৰিয়তে যাতায়াত কৰা যাত্ৰীৰ সুৰক্ষাৰ্থে ফেৰী/ঘাটৰ নিবিদাকাৰীয়ে নিম্ন লিখিত চৰ্ত সমূহ মানি চলিব লাগিব –



Secretary
Sutirpar G.P.
Nagaon, Assam

ক) নিবিদাকাৰীয়ে নিবিদাৰ প্ৰ-পত্ৰৰ লগতে এখন Undertaking প্ৰদান কৰিব লাগিব, যিত প্ৰতিকূল ঋতুৰত ফেৰী ব্যৱস্থা বন্ধ থাকিব বুলি উল্লেখ থাকিব। অন্যথা তেওঁৰ নিবিদাৰ আবেদন নাকচ কৰা হ'ব। কোনো মহলদাৰে উক্ত Undertaking ৰ চৰ্ত উলংঘা কৰিলে তেওঁৰ বন্দোৱস্তি নাকচ কৰা হ'ব।

খ) যিকোনো বিপদকালীন পৰিস্থিতিৰ বাবে মহলদাৰে ব্যৱহৃত নাওঁ/ফেৰীখনত প্ৰতিজন যাত্ৰীৰ বিপৰীতে পৰ্য্যাপ্ত পৰিমাণৰ Life Jacket / Life Raft ৰ ব্যৱস্থা থকাটো সুনিশ্চিত কৰিব লাগিব।

গ) মহলদাৰজনে নাওঁ / ফেৰী খনৰ বহন ক্ষমতা সাপেক্ষে নাওঁ/ফেৰী খনত কঢ়িওৱা যাত্ৰীৰ সংখ্যাৰ হকে বীমাৰ সুবিধা প্ৰদান কৰাটো প্ৰয়োজনীয়।

ঘ) মহলদাৰজনে কোনো ক্ষেত্ৰতে নাওঁ/ফেৰী খনৰ বহন ক্ষমতাতকৈ অধিক যাত্ৰী বহন কৰিব নোৱাৰিব।

২৯) বজাৰ/ঘাট/মীনমহল/পাউণ্ড বন্দোৱস্তি পোৱা নিবিদাকাৰীয়ে অন্য কোনো ব্যক্তি বা অনুষ্ঠানলৈ বজাৰ / ঘাট/মীনমহল/পাউণ্ড হস্তান্তৰ (Sublet) কৰিব নোৱাৰিব।

৩০) যদি কোনো নিবিদাকাৰীয়ে নিবিদা দাখিল কৰি বন্দোবস্তিৰ পূৰ্বে নিবিদা উঠাই লয় তেনেহলে উক্ত নিবিদাকাৰীৰ আমানতৰ ধন Forfeit হ'ব আৰু তেওঁ আগন্তুক পাঁচ বছৰলৈ কোনো নিবিদা দাখিল কৰিব নোৱাৰিব।

৩১) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যি কোনো বিষয়াই হাট/ঘাট/মীনমহল/পাউণ্ডৰ বন্দোৱস্তি বা পৰিচালনাৰ লগত জড়িত সকলো তথ্যপাতি, কাগজ-পত্ৰ, ৰেজিষ্টাৰ ইত্যাদিৰ পৰিদৰ্শন বা তদন্ত কৰিব পাৰিব।

৩২) প্ৰত্যেক নিবিদাকাৰীয়ে নিম্নলিখিত চৰ্তসমূহ মানি চলিব লাগিব –

ক) হাটত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা নিবিদাকাৰীয়ে কৰিব লাগিব।

খ) হাটৰ ভিতৰত থকা জাৱৰ বা গেলা-পচা বস্তু নিজৰ খৰছত নিবিদাকাৰীয়ে হাটৰ সীমাৰ পৰা কমেও ৬০০ মিটাৰ জনবসতিৰ আঁতৰত পেলাব লাগিব, যাতে ওচৰৰ বসতি কৰা লোকৰ আপত্তি নাথাকে বা অনিষ্ট নহয়।

গ) হাটত গেলা পচা মাছ-মাংস বিক্ৰী কৰিলে মহলদাৰে তেনে বিক্ৰী তৎক্ষণাত বন্ধ কৰিব আৰু তেনে বিক্ৰেতাৰ বিৰূদ্ধে ওচৰত থকা জনস্বাস্থ্য বিষয়াক অভিযোগ দিব লাগিব। লগতে বজাৰত গেলা পচা বস্তু/ৰাইজৰ স্বাস্থ্য হানি হোৱা বস্তু/সামাজিক পৰিবেশ ক্ষতি হোৱা বস্তু আদি বিক্ৰী কৰিব নোৱাৰিব।

ঘ) প্ৰত্যেক নিবিদাকাৰীয়ে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ অনুমোদিত খাজনা/ মাচুল আদিৰ নিৰিখ বজাৰ /ঘাট/মীনমহল/ পাউণ্ড আদিৰ মুখ্য প্ৰৱেশদ্বাৰ তথা অন্যান্য মুখ্য এলেকাত জাননী ফলক(নোটিচ বৰ্ড) লগাই সহজে পঢ়িব পৰাকৈ স্থানীয় ভাষাত লিখি ৰাখিব লাগিব।

ঙ) চৰকাৰী নাইবা পঞ্চায়তৰ কোনো বস্তু কিনা-বেচা হ'লে উক্ত বস্তুৰ ওপৰত কোনো খাজনা ল'ব নোৱাৰিব।

চ) হাট বজাৰৰ যি অংশত গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ কিনা-বেচা হয়, সেই অংশত বজাৰৰ মহলদাৰে গৰু/ছাগলী/হাঁহ/কুকুৰা আৰু অন্যান্য জীৱ-জন্তুৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব আৰু লগতে সেই অংশৰ পৰিস্কাৰ পৰিচ্ছন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৩৩) জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তৰ কোনো কৰ্তৃত্বশীল বিষয়াই হাট / ঘাট / মীনমহল / পাউণ্ড আদি পৰিদৰ্শন কৰিব আৰু সেই সময়ত মহলদাৰে নিজে নাইবা তেওঁৰ উপযুক্ত প্ৰতিনিধি উক্ত বিষয়াৰ লগত থাকিব লাগিব।

৩৪) সাপ্তাহিক/অৰ্ধসাপ্তাহিক হাটৰ ঠাইত দৈনিক বজাৰৰ মহলদাৰে সাপ্তাহিক / অৰ্দ্ধ সাপ্তাহিক হাট বজাৰৰ খাজনা আদায় কৰিব নোৱাৰিব।

৩৫) সাপ্তাহিক/অৰ্ধসাপ্তাহিক/দৈনিক বজাৰৰ মহলদাৰে বজাৰৰ নিৰ্দ্ধাৰিত এলেকাৰ ভিতৰতহে খাজনা আদায় কৰিব পাৰিব।

৩৬) সংশ্লিষ্ট জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়ত সমূহে হাট, ঘাট, মীনমহল, পাউণ্ড আদিৰ পৰা সংগৃহীত ৰাজহৰ হিচাপ ৰখাটো বাধ্যতামূলক।



Secretary
Sutirpar G.P.
Nagaon, Assam

OFFICE OF THE SUTIRPAR G.P. NAGAON, ASSAM
AnyScanner

৩৭) National Green Tribunal ৰ ১২/১২/২০১৮ ইং তাৰিখৰ O.A. No. 606 /2018 ৰ নিৰ্দেশ মৰ্মে পালন কৰিবলগীয়া Solid Waste Management Rules 2016 আৰু Plastic Waste Management Rules 2016 ত অন্তৰ্ভুক্ত কৰা চৰ্ত সমূহ মহলদাৰজনে বজাৰ ভিত্তিক গোটা জাৱৰ আৰু প্লাষ্টিক জাৱৰ ব্যৱস্থাপনা কমিটি (Market wise Solid Waste and Plastic Waste Management Committee) ৰ সহযোগত পালন কৰিব লাগিব।

৩৮) বন্দোৱস্তিপ্ৰাপ্ত নিবিদাকাৰীক জিলা পৰিষদ/আঞ্চলিক পঞ্চায়ত/ গাঁও পঞ্চায়তৰ তৰফৰ পৰা পৰিচয় পত্ৰ (Identity Card) দিয়াৰ ব্যৱস্থা কৰা হ'ব।

সচিব
সুতিৰ পাৰ গাঁও পঞ্চায়ত
Secretary Sutirpar G.P. Nagaon, Assam

খণ্ড উন্নয়ন বিষয়া, জুৰীয়া উন্নয়ন খণ্ড
ও
ভাৰপ্ৰাপ্ত সভাপতি, সুতিৰ গাঁও পঞ্চায়ত
Block Development Officer
Juria Development Block
Dagaon, Nagaon

নং- সুজিপি-০৫/২০২৫-২৬/০১(ক)

তাং- ০৫/০৬/২০২৫

প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বহল প্ৰচাৰাৰ্থে প্ৰেৰণ কৰা হলঃ-

১) মাননীয় প্ৰধান সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম, দিছপুৰ, গুৱাহাটী-৬, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

২) মাননীয় আয়ুক্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম, পাঞ্জাবাৰী, জুৰিপাৰ, গুৱাহাটী-৩৭, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৩) মাননীয় জিলা আয়ুক্ত, নগাঁও, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৪) মাননীয় সভাপতি, নগাঁও জিলা পৰিষদ, নগাঁও, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৫) মাননীয় মুখ্য কাৰ্যবাহী বিষয়া, নগাঁও জিলা পৰিষদ, নগাঁও, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৬) মাননীয় ৰাজহ চক্ৰ বিষয়া, ৰূপহী ৰাজহ চক্ৰ, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৭) মাননীয় জিলা তথ্য আৰু জনসংযোগ বিষয়া, নগাঁও জিলা, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

৮) DIO, NIC জিলা আয়ুক্তৰ কাৰ্যালয়, নগাঁও, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল। তেখেতক নিবিদা জাননী খন জিলা Website ত প্ৰকাশ কৰিবলৈ অনুৰোধ কৰা হল।

৯) সকলো আঞ্চলিক পঞ্চায়ত সদস্য/সদস্যা, জুৰীয়া আঞ্চলিক পঞ্চায়ত, নগাওঁ জিলা,জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

১০) সকলো সভাপতি/সভানেত্ৰী, জুৰীয়া আঞ্চলিক পঞ্চায়তৰ অধীনস্থ সকলো গাঁও পঞ্চায়ত, নগাওঁ জিলা,জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

১১) মাননীয় ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, জুৰীয়া আৰক্ষী থানা, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল লগতে নিবিদা প্ৰক্ৰিয়াত শান্তি- শৃংখলা ৰক্ষা কৰিবলৈ আৰক্ষী মোতায়েন কৰাবলৈ অনুৰোধ জনোৱা হল।।

১২) জুৰীয়া আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত সকলো গাঁও পঞ্চায়তৰ সচিব সকলৰ জ্ঞাতাৰ্থে আৰু বহল প্ৰচাৰাৰ্থে প্ৰেৰণ কৰা হল।

১৩) জুৰীয়া আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত সকলো সমবায় সমিতিৰ সভাপতি/সম্পাদক সকলৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হল।

১৪) সংলিষ্ট হাট/ঘাট/ মীনমহলৰ মহলদাৰ সকললৈ প্ৰেৰণ কৰা হল।।

১৫) কাৰ্যালয় ফলক।

সচিব
সুতিৰ পাৰ গাঁও পঞ্চায়ত
Secretary Sutirpar G.P. Nagaon, Assam

খণ্ড উন্নয়ন বিষয়া, জুৰীয়া উন্নয়ন খণ্ড
ও
ভাৰপ্ৰাপ্ত সভাপতি, সুতিৰ পাৰ গাঁও পঞ্চায়ত
Block Development Officer
Juria Development Block
Dagaon, Nagaon

SCAN AnyScanner